**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। ভৱিষ্যত প্ৰজন্মৰ আন্তঃগাঁথনিৰ বাবে ভাৰতৰ প্ৰয়াস স্থায়ী আৰু দীৰ্ঘকালিন দৃষ্টিভংগীৰে পৰিচালিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ফ্ৰান্সত ন'ৰ্বেৰ মীন আৰু মহাসাগৰ নীতি মন্ত্ৰী মেৰিয়েন চাইবাৰছেন নেছৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৩। অসম প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ কবলত পৰিছে।

৪। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ পৰিকল্পিত AXIOM অভিযান 4 পিছুৱাই দিয়া বুলি সদৰি কৰিছে।

আৰু

৫। লৰ্ডছত হ'বলগীয়া বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত আজি অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভৱিষ্যত প্ৰজন্মৰ আন্তঃগাঁথনিৰ বাবে ভাৰতৰ প্ৰয়াস স্থায়ী আৰু দীৰ্ঘকালিন দৃষ্টিভংগীৰে পৰিচালিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে চৰকাৰে আত্মনিৰ্ভৰশীল ভাৰতৰ ভেটি গঢ়ি আছে। তেওঁ কয়, যে আন্তঃগাঁথনি বিপ্লৱৰ ১১ টা বছৰ সম্পূৰ্ণ হৈছে আৰু এই সময়ছোৱাত বিশ্বমানৰ আন্তঃগাঁথনি বিকশাই তোলা হৈছে। ইয়াৰ ফলত দেশৰ বিকাশ ত্বৰান্বিত হৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰী মোদীয়ে কয়, যে ৰে'লপথৰ পৰা ঘাইপথলৈ, বন্দৰৰ পৰা বিমান বন্দৰলৈ ভাৰতৰ দ্ৰুত বিকাশশীল বুনিয়াদী আন্তঃগাঁথনি নেটৱৰ্কে জীৱন যাপন সহজ কৰি তুলিছে আৰু সমৃদ্ধিৰ পথ প্ৰশস্ত কৰিছে।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে মোদী চৰকাৰে আন্তঃগাঁথনি বিপ্লৱৰ ১১ টা বছৰত ইটোৰ পাছত সিটো অভিযান্ত্ৰিক আশ্চৰ্যৰে দেশৰ পুনৰ নিৰ্মাণত ব্ৰতী হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয়, যে নতুনকৈ নিৰ্মিত অত্যাধুনিক আন্তঃগাঁথনি প্ৰকল্পসমূহে জনসাধাৰণক কাষ চপাই আনি ৰাষ্ট্ৰৰ একতাৰ এনাজৰী সুদৃঢ় কৰি তুলিছে আৰু অভূতপূৰ্বে গতিৰে ব্যৱসায়-বাণিজ্য সম্ভৱ কৰি তুলিছে।

০০০০০০০০০

পাঁচখন দেশলৈ যোৱা এটা সৰ্বদলীয় প্ৰতিনিধি দলক নেতৃত্ব দিয়া জে ডি ইউৰ সাংসদ সঞ্জয় ঝাই প্ৰতিনিধি দলটোৱে ইয়াৰ ভ্ৰমণকালত বিভিন্ন বৈঠকত অপাৰেচন সিন্দূৰৰ পাছত পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শক্তিশালী স্থিতিৰ বিষয়ে ফলপ্ৰসূভাৱে অৱগত কৰা বুলি মন্তব্য কৰিছে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ বিষয়ে বিশ্বৰ বিভিন্ন দেশক অৱগত কৰোৱাৰ প্ৰচেষ্টাৰ অংশ হিচাপে গঠন কৰা দলটোৰ ইন্দোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ ফলপ্ৰসূ আছিল। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ঝাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা বৈঠকত দলটোৱে ভ্ৰমণ কালত লাভ কৰা মতামত আৰু দিহা-পৰামৰ্শ সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিছে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিনিধি দলটোৰ কাম-কাজৰ শলাগ লোৱা বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ জুনত ওড়িশাত বিজেপি চৰকাৰৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত গণ সভাত অংশগ্ৰহণ কৰিব। ভুৱনেশ্বৰৰ জনতা ময়দানত এই সমাৰোহৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচী সুচাৰুৰূপে আয়োজিত হোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে ওড়িশা চৰকাৰে ওড়িশা প্ৰশাসনীয় সেৱাৰ ৬০ গৰাকী বিষয়াক দায়িত্ব অৰ্পন কৰিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী

মোহন চৰণ মাঝিয়ে শেহতীয়া নতুন দিল্লী ভ্ৰমণকালত তেওঁৰ চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল তথা বিজেপিৰ শীৰ্ষ পৰ্যায়ৰ নেতাক আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়।

ooooooooo

ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে আজি ফ্ৰান্সত ন'ৰৱেৰ মীন আৰু মহাসাগৰ নীতি মন্ত্ৰী মেৰিয়েন চাইবাৰছেন নেছৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ৰাষ্ট্ৰসংঘৰ তৃতীয় মহাসাগৰীয় সন্মিলনৰ আপাহতে অনুষ্ঠিত এই বৈঠকত দুয়োগৰাকী নেতাই বহনক্ষম মীন পালন, সামুদ্ৰিক সম্পদৰ ব্যৱস্থাপনা আৰু সামুদ্ৰিক অৰ্থ ব্যৱস্থাৰ বিস্তৃত পৰিকাঠামোৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে। তেওঁলোকে লগতে বহনক্ষম মহাসাগৰ প্ৰশাসন আৰু মীন পালন ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰিবলৈ প্ৰতিশ্ৰুতি পুনৰ প্ৰকাশ কৰে। ফ্ৰান্সৰ নিচেত সোমবাৰৰ পৰা ৰাষ্ট্ৰসংঘৰ তৃতীয় মহাসাগৰীয় সন্মিলন অনুষ্ঠিত হৈছে। এই বৈঠকত খণ্ডটোৰ সৈতে জড়িত বিজ্ঞানী, নীতি প্ৰণেতা আৰু উদ্যোগ জগতৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে।

ooooooooo

অসম প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহৰ কৱলত পৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনত সতৰ্কতা জাৰি কৰাৰ লগতে স্বাভাৱিক উষ্ণতাতকৈ এইবেলি উষ্ণতা অধিক হোৱা বুলি সদৰি কৰি এই তাপমাত্ৰা অহা ২-৩ দিনলৈ বাহাল থাকিব পাৰে বুলি সম্ভাৱনা প্ৰকাশ কৰে। বিভাগটোৱে এই গ্ৰীষ্ম প্ৰৱাহৰ পৰা সতৰ্ক হৈ থাকিবলৈ ৰাইজলৈ আহ্বান জনাই শিশু, বয়োজ্যেষ্ঠ, গৰ্ভৱতী মহিলা তথা ৰুগীয়া লোকক বিশেষ সাৱধানতা অৱলম্বন কৰাৰ পৰামৰ্শ দিয়ে। ৰাজ্যখনত নিশাৰ ভাগত তাপমাত্ৰা স্বাভাৱিক তাপমাত্ৰালৈ ৩ৰ পৰা ৫ ডিগ্ৰী ছেলছিয়াছ অধিক হৈ থাকিব বুলি বিভাগটোৱে সতৰ্কবাণী জাৰি কৰিছে। ইতিমধ্যে ৰাজ্যিক শিক্ষা বিভাগে স্থানীয় বতৰৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়সমূহৰ পাঠদানৰ সময় সালসলনি কৰাৰ নিৰ্দেশ দিছে।

ooooooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি নিম্ন সদনৰ প্ৰাক্তন অধ্যক্ষ কে এছ হেগ্ৰেৰ জন্ম বাৰ্ষিকী উপলক্ষে সংবিধান সদনত থকা তেওঁৰ প্ৰতিচ্ছবিত পুষ্পমাল্য তৰ্পণ কৰে। ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, সাংসদ আৰু লোকসভা, ৰাজ্যসভা সচিবালয়ৰ জ্যেষ্ঠ বিষয়াসকলে প্ৰাক্তন অধ্যক্ষগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

ooooooooo

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কয়, যে ভাৰতৰ মহাকাশচাৰী শুভাংশু শুক্লাসহ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ পৰিকল্পিত AXIOM অভিযান 4 পিছুৱাই দিয়া হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড° সিঙে কয়, যে মহাকাশলৈ পঠিওৱাৰ পূৰ্বে চলোৱা পৰ্যবেক্ষণমূলক পৰীক্ষাত যানখনত কিছু বিসংগতি ধৰা পৰে। ইছৰ', AXIOM তথা স্পেছ এক্সৰ যৌথ উদ্যোগত চলোৱা এই পৰ্যবেক্ষণৰ অন্তত যানখন মহাকাশলৈ পঠিওৱাৰ পূৰ্বে ত্ৰুটিমুক্ত কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

ooooooooo

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। এনে প্ৰচাৰৰ অংশ হিচাপে আজি আমি ভাৰতৰ পৰিবহণ আন্তঃগাঁথনিৰ ৰূপান্তৰ সম্পৰ্কে আলোকপাত কৰিবলৈ লৈছে।

**ভইচ**

দেশত বিগত দশকত সৰ্বাত্মক আৰু সংহত দৃষ্টিভংগীৰে অভূতপূৰ্ব আন্তঃগাঁথনিৰ উন্নয়ন হৈছে। এই সময়ছোৱাত দৈনিক নিৰ্মাণ কৰা ঘাইপথৰ গড় হাৰ ৩৪ কিলোমিটাৰৰ সৰ্বকালৰ সৰ্বাধিক পৰ্যায় পাইছেগৈ। এই হাৰ ২০১৪ চনৰ তুলনাত প্ৰায় ৩ গুণ অধিক। ভাৰতমালা প্ৰকল্পৰ অধীনত অৰ্থনৈতিক কৰিডৰ বিকশাই তোলা আৰু পৰিবহণ ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে ২০ হাজাৰ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ঘাইপথ নিৰ্মাণ কৰা হৈছে। গ্ৰামাঞ্চলৰ যোগাযোগো ৯৯ শতাংশলৈ উন্নীত হৈছে আৰু প্ৰধানমন্ত্ৰী গ্ৰাম

চড়ক যোজনাৰ অধীনত ২০১৪ চনৰে পৰা ৭ লাখ ৮০ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হৈছে। যোৱা দশকত ৰে'ল খণ্ডৰ সামৰ্থ্য বৃদ্ধি পাইছে। এই সময়ছোৱাত ৪৫ হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ কৰা হৈছে আৰু ৩৩৩ খন জিলাক সামৰি ৬৮ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী চলোৱা হৈছে। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত এহেজাৰ ৩০০ ৰো অধিক ৰে'ল ষ্টেচনৰ আধুনিকীকৰণ কৰা হৈছে। একেদৰে উড়ান আঁচনিৰ অধীনত ৮৮ টা বিমান বন্দৰ পুনৰ কাৰ্যক্ষম কৰি তোলা হৈছে।

এই প্ৰচেষ্টাসমূহে উৎপাদন বৃদ্ধি আৰু যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ভেটি স্থাপন কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চাইবাৰ ক্ৰাইমৰ এটা অপৰাধী চক্ৰ উৎখাত কৰাৰ লগতে ২ কোটি ৮০ লাখ টকাৰ ক্ৰিপ্ট' কাৰেঞ্চি জব্দ কৰে। সংস্থাটোৱে চাইবাৰ ক্ৰাইম বিৰোধী বিশেষ অভিযানৰ অংশ হিচাপে তিনিটাকৈ স্থানত অনুসন্ধান চলায়। চি বি আইয়ে প্ৰকাশ কৰা অনুসৰি চৰকাৰী বিষয়া অথবা বিখ্যাত প্ৰযুক্তি সংস্থাসমূহৰ প্ৰতিনিধিৰ ৰূপত মূলতঃ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ লোকসকলক লক্ষ্য কৰি লোৱা ভাৰতৰ পৰা পৰিচালিত এটা চাইবাৰ ক্ৰাইম চক্ৰ সন্দৰ্ভত গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ পম খেদি সংস্থাটোৱে অভিযান চলায়। অনুসন্ধানত পৰিচয় লুকুৱাই আন্তঃৰাষ্ট্ৰীয় ফোনকল কৰিব পৰা আহিলা, সামাজিক মাধ্যমৰ বিভিন্ন সূত্ৰৰ পৰা নিৰ্দিষ্ট ব্যক্তিসকলৰ যোগাযোগৰ নম্বৰ সংগ্ৰহ কৰিব পৰা প্ৰযুক্তি, বাণীবদ্ধ হৈ থকা বিশেষ কণ্ঠস্বৰ তথা চাইবাৰ ক্ৰাইমৰ সৈতে জড়িত অন্যান্য আহিলাসমূহ জব্দ কৰা হয়।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে চৰকাৰে ২০২৯ চনৰ ভিতৰত ৩ লাখ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। উত্তৰাখণ্ডৰ ডেহৰাডুনত অনুষ্ঠিত **ৰাষ্ট্ৰীয় সুৰক্ষা আৰু সন্ত্ৰাসবাদ** শীৰ্ষক এটা অনুষ্ঠানত ভাগ লৈ শ্ৰীসিঙে কয়, যে সেই সময়লৈ প্ৰতিৰক্ষা খণ্ডত দেশৰ ৰপ্তানি ৫০ হাজাৰ কোটি টকা হ'বগৈ। তেওঁ কয়, যে দেশৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ ৪০ হাজাৰ কোটিৰ বিপৰীতে বৰ্তমান এক লাখ ৩০ হাজাৰ কোটি অতিক্ৰম কৰিছে। চৰকাৰে এই বছৰত এক লাখ ৭৫ হাজাৰ কোটি টকাৰ প্ৰতিৰক্ষা উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি শ্ৰীসিঙে লগতে উল্লেখ কৰে। সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা আৰু ৰাষ্ট্ৰীয় সুৰক্ষা শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কৌশলত আলোকপাত কৰি শ্ৰীসিঙে কয়, যে দেশৰ প্ৰতিৰক্ষা খণ্ড আত্মনিৰ্ভৰ ভাৰতৰ অন্যতম শক্তিশালী স্তম্ভ হিচাপে পৰিগণিত হৈছে আৰু অপাৰেচন সিন্দূৰৰ সময়ত ব্যৱহাৰ কৰা যুদ্ধৰ সামগ্ৰীসমূহ ভাৰততেই নিৰ্মাণ কৰা হৈছিল।

০০০০০০০০০

লণ্ডনৰ লৰ্ডছত হ'বলগীয়া বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত আজি অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। অষ্ট্ৰেলিয়াই এইবাৰ একেৰাহে দ্বিতীয় বাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে ২০২৩ বৰ্ষত ভাৰতক পৰাস্ত কৰি খিতাপ দখল কৰিছিল। দক্ষিণ আফ্ৰিকাই এইবাৰ প্ৰথমবাৰৰ বাবে বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০০০০

সমাপ্ত